কিন্তু তেওঁলোকে তাৰ উদাৰ গণতান্ত্রিক দৃষ্টিভঙ্গী পচন্দ নকৰিলে। এই সময়ত ভলটেয়েৰো সেইখন চহৰত। ভলটেয়েৰ নাট্যকাৰ, ৰঙ্গমঞ্চ তেওঁৰ প্রিয়। এইখিনিতে জেনেভাৰ গোঁড়া পৰিবেশে তেওঁক প্রশ্রয় দিব নুখুজিলে। নাট্য যে বেয়া এই কথা প্রমাণ কৰিবলৈ ৰুছোৱেও বিবিধ যুক্তি আগ বঢ়ালে।

ভলটেয়েৰৰ লগত কাজিয়া লগাৰ আৰু এটি উদাহৰণ আছে। অলপদিনৰ আগেয়ে লিছবন চহৰত এক বিৰাট ভূমিকম্পই বিস্তৰ ক্ষতি সাধে। এই দুৰ্ঘটনাত ৩০,০০০ লোকৰ প্রাণনাশ হয়। ভলটেয়েৰে এই ভূমিকম্প উপলক্ষ্য কৰি ভগবানৰ শাসনত সন্দেহ তুলি এক কবিতা ৰচে। ততালিকে ৰুছোৱে অস্ত্র ললে—তেওঁ দেখুৱালে ভগবানৰ শাসনৰ ত্রুটী আঙুলিয়াবলৈ গৈ, ভগবানক নিষ্ঠুৰ বুলি প্রমাণ কৰিবলৈ গৈ, ভলটেয়েৰে চয়তানতহে বিশ্বাস দেখুৱাইছে; সংসাৰৰ সকলো সুখ ভোগ কৰি এই মানুহজনে ভূমিকম্পই কৰা ক্ষতিৰ ভয়ানক ছবি আঁকি ৰাইজক নিৰুৎসাহহে কৰিছে। এই যুক্তি অৱশ্যে খৰিয়ালৰ মচলা, কিন্তু ভূমিকম্প উপলক্ষ্য কৰি যিদৰে ভগবানক নমাই অনা হ'ল তাত আন আন লিখকেও ইটো বা সিটো পক্ষ লৈ বাদানুবাদ চলালে। ভলটেয়েৰে ৰুছোক অনৰ্থকাৰী বলিয়া বুলিলে; ৰুছোৱে ভলটেয়েৰক বৰ্ণালে এইদৰে—"সেই অপূৰ্ব্ব প্রতিভা, কিন্তু নীচ আত্মা।" কেইবছৰমান পিচত অৱশ্যে ৰুছোৱে ভলটেয়েৰৰ মতবাদক নহলেও তেওঁৰ প্রতিভাক যোগ্যভাবে শ্রদ্ধা জনাইছিল।

## ( ৪ )

১৭৫৮ চনৰ আন এখন ৰচনাত ৰুছোৱে সভ্যতাৰ এটি সন্তান ৰঙ্গমঞ্চকো দুৰ্নীতিপৰায়ণতাৰ হেতু বুলি জগৰীয়া কৰি দেখুৱায়। প্রায় এই কালছোখৰতে তেওঁ বিচাৰণা অনুসৰণ কৰা বিশ্বকোষৰ

লিখকদলৰ লগত সম্বন্ধ ছিঙে। আনকি ডিডেৰো, গ্ৰীম, ডলবাক্ আদি লিখকসকলৰ সৈতে তেওঁ খৰিয়ালেই কৰিলে। এই সময়ত তেওঁৰ মনৰ অৱস্থা অলপ আবেগপ্ৰৱণ হৈ আহিছিল বুলিও কোৱা হৈছে। তেতিয়া তেওঁ পেৰিছৰ ওচৰৰ হাবি এখনৰ মাজত এক মহিলাই থাকিবলৈ দিয়া প্ৰাকৃতিক সৌন্দৰ্য্যেৰে আগুৰা ঘৰ এটিত বাস কৰিবলৈ লৈছিল। ইয়াত তেওঁ মাহলাগৰাকীৰ বান্ধৱী উডেটো উপাধিৰ ছোৱালী এজনীৰ সৈতে গভীৰভাবে প্ৰেমত পৰে। এই অভিজ্ঞতা তেওঁ লা নুভেল এলইজ্, বা নৱ-এলইজ নামে উপন্যাসখনত লোমহৰ্ষকভাৱে বৰ্ণনা কৰিছে (১৭৬১)। কিতাপখন অৱশ্যে সম্পূৰ্ণ কৰা হৈছিল ওচৰৰে আন এটি ঘৰত, কিয়নো তেওঁৰ গিৰিহঁতনীৰ সৈতে কাজিয়া লাগিল আৰু তেওঁ এজন ৰাজবিষয়াৰ আশ্ৰয়লৈ যাব লগা হল। এই উপন্যাসখন ৰচা হৈছিল চিঠিৰ গঢ়ত আৰু সম্ভৱ তাত ইংৰাজ ঔপন্যাসিক ৰিচাৰ্ডছনৰ আৰ্হিৰ প্ৰভাৱ আছিল। কিতাপখন কিন্তু ইমান জনপ্ৰিয় হ'ল যে চল্লিশ বছৰৰ ভিতৰত সত্তৰটা সংস্কৰণ ওলাল। ছেঁ প্ৰ্যা আৰু তেওঁৰ ছাত্ৰী জুলিৰ প্ৰেমৰ কাহিনী কিতাপখনৰ আাহলা। জুলিৰ চৰিত্ৰত শ্ৰীমতী উডেটোৰ আৰু ছেঁ প্ৰ্যাৰ চৰিত্ৰত ৰুছোৰ নিজৰ ছাঁ দেখা যায়। নায়িকা আৰু নায়কৰ মিলন অসম্ভৱ হয়; জুলিৰ বিয়া হয় ড্যা ৱলনাৰৰ লগত। পিচত ছেঁ প্ৰ্যা ড্য ৱলনাৰৰ পৰিয়ালৰ বন্ধু-হিচাবে উভতি আহে। ইয়াত লিখকে সবসৰীয়া ঠাঁচত প্ৰকৃতিৰ সৌন্দৰ্য্য বৰ্ণাইছে আৰু চহা জীৱনৰ সৰল মাধুৰ্য্যৰ আকৰ্ষণীয় ছবি চিত্ৰণ কৰিছে। কিতাপখনে ফৰাচী সমাজৰ সকলো তৰপৰ পাঠককে, বিশেষকৈ তিৰোতা মানুহক, বৰকৈ আকৰ্ষণ কৰিলে। আকৰ্ষণ ইমান বেছি হ'ল যে ছপাখানাই যথেষ্টসংখ্যক কিতাপ উলিয়াই দিব নোৱাৰা হ'ল। দোকানৰ পৰা ভাৰাকৈ নিবলৈ ভদ্ৰমহিলায়ো ৰাতিত শাৰী পাতিবলগীয়া হ'ল। এই উপন্যাসৰ চৰিত্ৰৰ আৰ্হিত সৰল জীৱন অনুকৰণ কৰা এক ফেছন হৈ পৰিল। আনকি ৰাণী মাৰি

আঁটোৱেনেট আৰু তেওঁৰ ৰাজসভায়ো এই জীৱনৰ অভিনয় কৰিবলৈ চেষ্টা কৰিলে। মুঠৰ ওপৰত সেই যুগৰ মানত অভিনৱ "প্ৰকৃতিলৈ উভতি ব'লা" আৰ্হি আৰম্ভ হ'ল।

সাহিত্যৰ বুৰঞ্জীত এই "প্ৰকৃতিলৈ উভতি ব'লা" আৰ্হিৰ প্ৰভাৱ কম নহয়। ইয়াৰ লগতে অন্তৰৰ নিৰ্দ্দেশ আৰু সহজানুভূতিৰ আপডালৰ তথ্যও লগ লাগি ইউৰোপীয় সাহিত্যত ৰোমাণ্টিক বা ভাববিলাসী ৰচনাৰ সৃষ্টি হয়। ইংলণ্ডৰ ৱাৰ্ডজ্ৱাৰ্থ, বাইৰণ; ফ্ৰান্সৰ শ্বাটোব্ৰিয়াঁ; জাৰ্ম্মানিৰ শ্বিলাৰ, গ্যেটে আদি সাহিত্যিক এই ৰোমাণ্টিক পৰম্পৰাৰে শিশু। ৱাৰ্ডজ্ৱাৰ্থৰ কবিতাত প্ৰকৃতিৰ সৌন্দৰ্য্য আৰু মানৱ-জীৱনত তাৰ প্ৰভাৱৰ যি কথা আছে, চহা মানুহৰ জীৱনৰ যি ছবি আছে, সি একহিচাবে ৰুছোৰ শিক্ষাৰে ফল। এই প্ৰসঙ্গত আঙুলিয়াই দিয়া যুগুত যে ৰুছোৰ 'প্ৰকৃতি' অৰাজকতাৰ নামান্তৰ নহয়—ই হৈছে বিচাৰণাৰ ওপৰত প্ৰতিষ্ঠিত শৃঙ্খলাবদ্ধ সংসাৰখন। তেওঁ সেই যুগৰ বিচাৰণা তথ্যৰ প্ৰভাৱ সমূলি আওকাণ কৰিব পৰা নাছিল! ৰুছোৱে কৰা প্ৰকৃতিৰ ব্যাখ্যা আৰু ৰোমাণ্টিক কবিৰ প্ৰকৃতিৰ ব্যাখ্যা ঠিক একে নহয়।

উপন্যাসখনত শিক্ষাৰ যি সঙ্কেত পোৱা যায় তাৰ বহল আলোচনা হয় এমিল কিতাপত (১৭৬২)। ইয়াতো জটিলৰ পৰা সৰললৈ আৰু অস্বাভাৱিকৰ পৰা স্বাভাৱিকলৈ যাবলৈ দিয়া নিৰ্দ্দেশ। এমিলত ব্যাখ্যা কৰি দেখুওৱা হৈছে নৱ-এলইজৰ নায়িকাৰ এটি উক্তি:—"আমাৰ শিশুবিলাকক বাহিৰৰ অস্বাভাৱিক সাঁচ এটিত গঢ়িব নালাগে; নিজৰ প্ৰকৃতিৰ নিৰ্দ্দেশ অনুসৰিহে সিহঁতৰ বিকাশ হব লাগে।" শিশুৰ স্বাভাৱিক ব্যক্তিগত শক্তিবিলাক যাতে ফুটি ওলাব পাৰে আৰু যাতে তাৰ প্ৰকৃতিগত সততা নষ্ট নহয় সেই উদ্দেশ্যে ৰুছোৱে এক নতুন শিক্ষা-ব্যৱস্থা আগ বঢ়ালে, কিয়নো "প্ৰকৃতিৰ স্ৰষ্টাৰ হাতৰ পৰা যেতিয়া ওলাই আহে তেতিয়া প্ৰত্যেক বস্তুৱে ভাল; মানুহৰ হাত লাগিলেহে সকলো নষ্ট হয়।"

ব্যক্তিত্ব আৰু তাৰ বিকাশৰ জয়-ঘোষণা কৰি এই কিতাপখনে শিক্ষাবিধিত নতুন পৰম্পৰা সৃষ্টি কৰিলে। পিচৰ যুগৰ পেষ্টালট্‌ছি, ফ্ৰ্যবেল আদি শিক্ষাবিদে এইখনৰ পৰা যথেষ্ট প্ৰেৰণা লভিছিল। ৰুছোৰ কেতবোৰ তথ্য কামত খটুৱাব নোৱাৰি যদিও, শিশু অৱস্থাত যে বৰকৈ হুকাবধা কৰা বেয়া, কিতাপ বা বিদ্যাৰ বোজা জাপি দিয়া অনিষ্টকাৰী, বিষয় শিকাবলৈ চেষ্টা কৰাতকৈ শিশুৰ স্বাভাৱিক বৃত্তিবিলাকৰ যাতে বিকাশ হয় তাৰ অৰ্থে সিহঁতক মুকলিমূৰীয়াকৈ ফুৰিবলৈ সুযোগ দিব লাগে, আৰ্হিৰ জৰিয়তে জোৰ নকৰাকৈ সিহঁতৰ অন্তৰত সতৰ প্ৰতি অনুৰাগ আৰু অসতৰ প্ৰতি বিৰাগ ওপজাবলৈ চেষ্টা কৰিব লাগে, পৰজন্মৰ স্বাৰ্থতকৈ এই জগতৰ স্বাৰ্থ সমুখত ৰাখি শিক্ষা দিয়া যুগুত, এনে কথা ৰুছোৱেহে প্ৰথমে সুচাৰুকৈ আঙুলিয়াই দেখুৱালে। শিক্ষাৰ ক্ষেত্ৰত দেখুওৱা এই মানবীয় আৰ্হিয়ে ফ্ৰান্সত সংস্কাৰৰ পথ সুগম কৰিলে। জাৰ্ম্মানি আদি দেশলৈয়ো ইয়াৰ প্ৰভাৱ বাগৰিল। এইখিনিতে উল্লেখ কৰা যুগুত যে সপ্তদশ শতিকাৰ বিখ্যাত শিক্ষাবিদ কোমেনিয়াছেও এনে শিশুকেন্দ্ৰিক শিক্ষাৰ আৰ্হি দাঙি ধৰিছিল, কিন্তু মানুহে তেওঁৰ কথা পাহৰি পেলাইছিল। এই সময়ৰ পৰা শিশু-মনৰ উপযোগী কিতাপো ওলাবলৈ ধৰে।

এমিল কিতাপখনত "চেভয়বাসী ধৰ্ম্মযাজক এজনৰ কৈফিয়ৎ" বুলি অধ্যায় এটি আছিল। যাজকজনে অন্তৰৰ আবেগৰ নিৰ্দ্দেশত তিৰোতা এজনীক আওপথে নিলে। এই যাজকৰ কথা আৰু কাৰ্য্যৰ জৰিয়তে যি স্বাভাৱিক ধৰ্ম্মৰ ব্যাখা দিয়া হ'ল সি কেথলিক আৰু প্ৰটেষ্টাণ্ট দুয়ো পক্ষকে জোকাই ল'লে। অৱশ্যে এটি কথা উল্লেখ-যোগ্য, সেই সময়ৰ ধৰ্ম্মগুৰুসকলে ঈশ্বৰ যে আছে এই সত্য বা তথ্যৰ প্ৰমাণস্বৰূপে যুক্তিহে দিছিল; ৰুছোৱে যুক্তি-তৰ্কৰ অৱতাৰণা নকৰিলে, তেওঁ অন্তৰৰ বিশ্বাসৰ কথা উলিয়ালে। অন্তৰৰ বিশ্বাস তৰ্কৰ ওপৰত। এই শিক্ষা পিচলৈ অৱশ্যে প্ৰটেষ্টাণ্ট ধৰ্মৰ গুৰু-সকলেও মানি ললে।

## ( ৫ )

এমিল প্ৰকাশ হোৱা বছৰতে বিখ্যাত লে কঁন্ট্ৰে ছছ্য়াল কিতাপখনো ওলায়। এইখনৰ মতবাদ আৰু ভয়ানক, কিয়নো ইয়াত ৰজাৰ ঐশী-শক্তি অস্বীকাৰ কৰি গণতন্ত্ৰৰ আৰ্হি আগ বঢ়োৱা হ'ল। ইউৰোপীয় ৰাজনীতিৰ এই প্ৰখ্যাত তথ্যমূলক কিতাপখনৰ সংস্কৰণ একাধিক। ৰুছোৱে প্ৰথমতে যিদৰে কিছুমান কথা লিখিছিল সেইবিলাক পিচৰ সংস্কৰণত লৰচৰ আৰু কিছু সংযত কথা হৈছিল। এই কাৰণে তেওঁৰ চিন্তাত আউল দেখা যায়। তেওঁ ইংৰাজ দাৰ্শনিক লকৰ আৰ্হিত প্ৰত্যেক ব্যক্তিয়ে সমূহৰ জৰিয়তে নিজৰ হিতৰ ব্যৱস্থা কৰিবলৈ স্বইচ্ছাই লগ লাগি এক বন্দবস্তৰ ভেটিত ৰাষ্ট্ৰৰ সৃষ্টি কৰে বুলি সিদ্ধান্ত কৰিছে ; কিন্তু কিতাপখনৰ প্ৰথম গঢ়ত তেওঁৰ ভাব আছিল, যেন ৰাষ্ট্ৰৰ বান্ধলৈ নাহি স্বভাৱৰ অৱস্থাত থকাটোৱে উত্তম ব্যৱস্থা। তেওঁ স্বভাৱৰ অৱস্থাৰ যি কাল্পনিক মাধুৰ্য্য আৰু মহত্ত্ব বৰ্ণাইছে তাৰ বিজনিত ৰাজনৈতিক সমাজ বা ৰাষ্ট্ৰ কোনোমতেই শ্ৰেয়ঃ নহয়, মাথোন উপায় নাপাইহে মানুহে এইদৰে বাস কৰিবলৈ লৈছে। পিচৰ গঢ়ত কিতাপখনত স্বভাৱৰ অৱস্থাৰ মাধুৰ্য্যতকৈয়ো সমূহীয়াকৈ ৰাষ্ট্ৰ পাতি বাস কৰাৰ ওপৰত বেছি জোৰ দিয়া দেখিবলৈ পোৱা যায়। যেনিবা গাইগুটীয়াকৈ স্বাধীনভাৱে নাথাকি এইদৰে সমাজ পাতি থাকিলেহে সকলোৰে হিত-সাধন হয় আৰু এই সমাজ পতাটো সেই কাৰণেই আৱশ্যকীয়। সিদ্ধান্তৰ এই পৰিবৰ্ত্তনে ৰুছোক প্লেটো আৰু এৰিষ্টোটলৰ ৰাজনৈতিক চিন্তাৰ কাষ পোৱায়। গ্ৰীক চিন্তাবীৰসকলেও সমাজৰ বাহিৰত ব্যক্তিৰ উৎকৰ্ষ সম্ভৱ বুলি নাভাবিছিল।

চিন্তাৰ এই আউলৰ কাৰণে কিতাপখন যি প্ৰখ্যাত বচন এশাৰীৰে আৰম্ভ কৰা হৈছে—"মানুহ ওপজোঁতে স্বাধীন কিন্তু য'তে দেখা যায় ত'তে তেওঁৰ শৰীৰত শিকলিৰ বন্ধন।" —সেই বচন-

শাৰীৰ ব্যাখ্যাবো লৰচৰ হয়। কিতাপখনৰ প্ৰথম গঢ়ত ৰাক্যশাৰীৰ ভাব আছিল—যেন মানুহ স্বাধীন আৰু গাইগুটীয়া হৈ থকাটোহে শ্ৰেয়ঃ, কিয়নো সমাজৰ নীতি-নিয়ম আৰু ৰাজনৈতিক অৰ্থনৈতিক বন্ধনবিলাকে তেওঁক পঙ্গু কৰে; দ্বিতীয় বা শেহ গঢ়ত ৰাক্যশাৰীৰ অৰ্থ এনে হয়—মানুহে স্বইচ্ছাই গঢ়ি লোৱা সমাজত স্বাধীনভাবে বিচৰণ কৰিব লাগে, কিন্তু শক্তিৰ ওপৰত প্ৰতিষ্ঠিত সমাজ বা ৰাষ্ট্ৰত তেওঁৰ স্বাধীনতা লোপ পালে। ৰুছোৰ শেহতীয়া সিদ্ধান্ত যি, তাৰ লগত খাপ খুৱাবলৈ দ্বিতীয়টো ব্যাখ্যাহে গ্ৰহণ কৰা যুগুত। সি যি নহওক, কিতাপখনৰ মতে সভ্য-সমাজৰ গুৰিত আছে এক 'বন্দবস্ত' বা 'সম্মতি'। খোলাকৈয়ে হওক বা মৌনভাবেই হওক এই সম্মতি জনাই ব্যক্তিয়ে নিজৰ স্বত্ববিলাক 'জেনেৰেল উইল' বা সৰ্ব্ব-সাধাৰণৰ ইচ্ছাক দান কৰে। সৰ্ব্ব-সাধাৰণৰ ইচ্ছাই সকলোৰে সমূহ হিতৰ কাৰণে কাৰ্য্যপালিকাৰ জৰিয়তে শাসন চলায়। সাৰ্ব্বভৌম শক্তি থাকে ৰাইজৰ হাতত আৰু ৰাইজে যিমান দূৰ সম্ভৱ ভোটৰ জৰিয়তে আইন আদি প্ৰণয়ন কৰে। ৰাইজৰ সম্মতিৰ ওপৰতে চৰকাৰ বৰ্ত্তি থাকে। চমুকৈ কবলৈ গ'লে ৰুছোৰ ধাৰণাত সমাজৰ এয়ে আদৰ্শ স্বৰূপ। সমাজৰ এই মনোমোহা বৰ্ণনাৰ প্ৰতিক্ৰিয়া কি হ'ল সহজে অনুমান কৰিব পাৰি। মানুহ যদি চৌপাশে শিকলিৰে বান্ধ খাই আছে, তেনেহলে তেওঁলোকৰ সাৰ্ব্বভৌম শক্তি আৰু স্বাধীনতা আত্মসাৎ কৰিছে শাসনকৰ্ত্তাসকলে, আৰু এই শাসন-কৰ্ত্তাসকলক ওফৰাই শাসনৰ সংস্কাৰ সাধি ব্যক্তিৰ স্বাধীনতা ঘূৰাই অনা স্বত্ব দেখোন ৰাইজৰ হাততে। অতি আকৰ্ষণীয় সিদ্ধান্ত, যদিও তাৰ যুক্তিত ক্ৰটী আছিল যথেষ্ট। ফৰাচী বিপ্লৱৰ আগখিনিৰ ফ্ৰান্সৰ সামাজিক আৰু ৰাজনৈতিক পৰিবেশত ৰুছোৰ কিতাপখনৰ অপূৰ্ব্ব প্ৰভাৱ দেখা গ'ল। এই গণতন্ত্ৰৰ বাইবেলৰ নিৰ্দ্দেশ ফৰাছী বিপ্লৱৰ প্ৰথম স্তৰৰ কাৰ্য্যবিলাকত সুস্পষ্ট। আনকি "মুক্তি, সমতা, ভ্ৰাতৃত্ব"—এই বিখ্যাত আৰাজকেইটাও ৰুছোৰ ৰচনাৰ পৰাহে গ্ৰহণ কৰা।

ৰুছোৰ ৰাজনৈতিক চিন্তাত ক্ৰুটী অলেখ। তেওঁ যি ৰাইজৰ হাতৰ মুঠিত থকা সাৰ্ব্বভৌম শক্তিৰ কথা কয় সি কিমানদূৰ ৰাইজৰ হাতত ৰয়, চিন্তা কৰিবলগীয়া; তেওঁ নিজেই মন্তব্য কৰিছে যে আনৰ ওপৰত শাসনৰ গাদীত বহিলেই মানুহৰ ন্যায় আৰু বিচাৰৰ বোধ লোপ পাব খোজে। প্ৰুছিয়া, জাৰ্ম্মানি, ৰুছিয়া আদি ৰাষ্ট্ৰত শাসকসকলৰ যি সৰ্ব্বগ্ৰাসী একচ্ছত্ৰিতা দেখা যায় তাৰ প্ৰেৰণা ৰুছোৰ 'সৰ্ব্ব-সাধাৰণৰ ইচ্ছাৰ' তথ্য বুলি কেতিয়াবা কেতিয়াবা কোৱা হয়, কিয়নো সৰ্ব্ব-সাধাৰণৰ ইচ্ছা বা ৰাইজৰ সম্মতি লৈয়ে ডিক্টেটৰৰ সৃষ্টি হয় আৰু এবেলি গাদীত বহি ল'লে তেওঁ আয়ত্তৰ বাহিৰলৈ যায়। দ্বিতীয়তে, ৰুছোৰ ডেমক্ৰেছি বা গণতন্ত্ৰৰ অৰ্থ আজিকালি আমি বুজা ধৰণৰ নহয়। যেহেতু প্ৰকৃত গণতান্ত্ৰিক শাসন অসম্ভৱ বা ই সকলো দেশতে কাৰ্য্যকৰী নহয়, সেই হেতু শাসনৰ ভাৰ দিয়া যুগুত বেছি অভিজ্ঞ আৰু কমসংখ্যক অভিজাত শ্ৰেণীৰ হাতত, অৱশ্যে চাব লাগে যাতে এওঁলোকে সকলোৰে হিতৰ অৰ্থেহে শাসন চলায়। গণতন্ত্ৰৰ এই ব্যাখ্যা যুগান্তকাৰী নহয়, তথাপি তেওঁৰ চিন্তাই সেই সময়ৰ শাসন ব্যৱস্থাৰ ভেটি কঁপাই তুলিলে। এমিল, লে কঁট্ৰে ছছ্য়াল আদি বিধৰ্ম্মী আৰু বিদ্ৰোহী ৰচনাৰ কাৰণে ধৰ্ম্মগুৰুসকল আৰু ৰাজশক্তি সমানে ৰুছোৰ শত্ৰু হৈ পৰিল। ৰুছো পেৰিছৰ পৰা পলাল; তেওঁৰ দুৰ্গতি আৰম্ভ হ'ল।

(৬)

তেওঁ জেনেভাত আশ্ৰয় ল'বলৈ চেষ্টা কৰিলে; তাত আশ্ৰয় নাপাই তেওঁ বাৰ্ণলৈ গ'ল। তাতো একে কথা। শেহত প্ৰুছিয়াৰ উদাৰমনা ৰজা ফ্ৰেডেৰিকে তেওঁক গাওঁ এখনত আশ্ৰয় দিলে। সেই ঠাইত তেওঁ তিনিবছৰ ৰয়, কিন্তু তেওঁৰ কুখ্যাতি চৌপাশে বিয়পাত

তাৰ স্থানীয় পাদুৰীয়ে গঞ্জাসকলক লৈ তেওঁক হত্যা কৰিবলৈ চেষ্টা কৰে। এনে সময়তে দাৰ্শনিক ডেভিড হিউমৰ আমন্ত্ৰণক্ৰমে তেওঁ ইংলণ্ড পায়গৈ (১৭৬৬)। ইংলণ্ডত তেওঁ প্ৰথমে যথেষ্ট আদৰ-সাদৰ পালে, আনকি ৰজা তৃতীয় জৰ্জ্জে তেওঁক এটি পেঞ্চনো দিলে। কিন্তু এই সময়ত সদায় শত্ৰুৰ তাড়না পাই তেওঁৰ মনত আতঙ্কই ঠাই লৈছিল, তেওঁ ছাঁটোকে বাঘ যেন দেখা হৈছিল। তেওঁ ধৰি ল'লে হিউমে তেওঁৰ শত্ৰুবিলাকৰ সৈতে লগ লাগি তেওঁৰ অনিষ্ট কৰিবলৈহে ফান্দ পাতিছে। বেচেৰা আকৌ পলাল; ইংলণ্ডত এবছৰমান থাকি চাৰি বছৰৰ মূৰত তেওঁ আকৌ পেৰিছত উপস্থিত হ'ল।

এজন ডাঙৰীয়াৰ পৰা ভৰসা পাই তেওঁ পেৰিছত নিঃকিনভাবে থাকিবলৈ ল'লে। কেইবছৰমানৰ পাছত ১৭৭৮ চনৰ মে মাহত আন এজন হিতকাৰী লোকে পেৰিছৰ বাহিৰত গাৰ্ৰলীয়া ঠাইত বাস কৰিবলৈ তেওঁক ঘৰ এটি দিয়ে। এই ঘৰতে দুমাহ পাছত হৃৎপিণ্ডৰ ক্ৰিয়া বন্ধ হৈ তেওঁ ধৰাধাম ত্যাগ কৰে। শেহৰ দিনকেইটাত তেওঁৰ মন সুষ্ঠ অৱস্থাত নাছিল, আৰু কোনো কোনোৱে তেওঁ আপোন-ঘাতী হৈ মৰা বুলিও ভাবে। তেওঁক তাতেই কবৰ দিয়া হয়। ১৭৯৪ চনত ফ্ৰান্সৰ বিপ্লৱী চৰকাৰে তেওঁৰ অস্থি তাৰ পৰা অনাই সসম্মানে পেৰিছত স্থাপন কৰে; কিন্তু ১৮৩৪ চনত তেওঁ আৰু ভলটেয়াৰৰ দুয়োৰে কবৰ খান্দি হাড়বিলাক উলিয়াই কি কৰা হ'ল কোনেও নাজানে। এই দুজন মানুহৰ ৰচনাবিলাক চকুত পৰাত ৰজা ষোড়শ লুইয়ে মন্তব্য কৰিছিল এইদৰে—"এই মানুহ দুজনেই ফ্ৰান্স ধ্বংস কৰিলে।" সেই সময়ত দুৰ্ভগীয়া লুই জেলৰ ভিতৰত, আৰু বাহিৰত বিপ্লৱীসকলৰ হেন্দোলদোপ।

ৰুছোৰ অঘৰী জীৱনৰ সমাপ্তি ঘটিল, কিন্তু এই জীৱনৰ কৈফিয়ৎ-স্বৰূপে তেওঁ পলাই ফুৰা সময়তে (১৭৬৪-১৭৭০) লে কঁফেছ্যঁ নামে যিখন আত্মজীৱনী ৰচিলে আৰু যিখন তেওঁৰ মৃত্যুৰ পিচত

১৭৮২ খৃষ্টাব্দতহে ছপা হৈ ওলায়, সেইখন গুৰিতে উল্লেখ কৰা হৈছে যদিও আৰু দুআষাৰ যোগ কৰা যুগুত। এইখনৰ ৰচনাসম্পৰ্কে তেওঁ নিজে এইদৰে উক্তি কৰিছে, "এই এটি কৰ্ম্ম যাৰ চানেকি নাই, যাৰ ভৱিষ্যতে অনুকৰণকাৰী নোলাব—মই বাইজক নিজৰ প্ৰকৃতিৰ স্বৰূপ অনুসৰি মানুহ এজন দেখুৱাবলৈ প্ৰস্তাৱ কৰোঁ। আৰু সেই মানুহজন হৈছোঁ মই। মই, আন কোনো নহয়। মই নিজৰ ভিতৰত মোৰ হিয়া অনুভৱ কৰিছোঁ, আৰু আন মানুহৰ পৰিচয়ো পাইছোঁ। মই দেখিবলৈ পোৱা আন মানুহৰ দৰে গঠিত নহওঁ। মই বিশ্বাস কৰোঁ যে মোৰ লেখিয়া আন কোনো নাই; আৰু, মই যদি আনবিলাকতকৈ বেছি ভালো নহওঁ, অন্ততঃ মই পৃথক।... সংসাৰৰ ধ্বংসৰ শেহ ক্ষণ আহি পাওক [ খৃষ্টীয় বিশ্বাস ], মই এই কিতাপ হাতত লৈ ওলাম, সৰ্ব্বশক্তিমান বিচাৰকৰ সমুখত থিয় দিম। মই চিঞৰি ক'ম—'মই যি কৰিছোঁ ইয়াতে লিখি থোৱা আছে—যি চিন্তা কৰিছোঁ, যি মই হৈছোঁ। ভালখিনি আৰু বেয়াখিনি মই একে সততাৰে বৰ্ণনা কৰিছোঁ। যি বেয়া তাক কমাই দেখুৱাবলৈ বা যি ভাল তাৰ লগত যোগ দিবলৈ মই চেষ্টা কৰা নাই।...মই যেনে আছিলোঁ তাকেই মই দেখুৱাইছোঁ: নীচ আৰু ঘৃণনীয় যেতিয়া আছিলোঁ, আৰু সাধু, উদাৰ আৰু ন্যায়বান যেতিয়া আছিলোঁ...হে অনন্ত পুৰুষ, মোৰ চৌপাশে মোৰ অসংখ্য লগৰীয়াক [মানৱজাতিক] গোট খুৱাওক। তেওঁলোকে মোৰ আত্মজীৱনী শ্ৰৱণ কৰক, তেওঁলোকে মোৰ পাপবোৰত শোক প্ৰকাশ কৰক আৰু মোৰ অপদাৰ্থতাত লজ্জা পাওক। কিন্তু সেই একে আন্তৰিকতাৰে তেওঁ-লোকৰ প্ৰত্যেককে আপোনাৰ সিংহাসনৰ আগত মুকলি হবলৈ দিয়ক, আৰু তেওঁলোকৰ অন্ততঃ এজনকো উক্তি কৰিবলৈ দিয়ক, যদিহে তেওঁৰ কলিজা আছে, যে মই এই মানুহজনতকৈ বেছি ভাল।'"


কি ভাষাৰ তেজ, আবেগৰ কি প্ৰাচুৰ্য্য, নিজৰ অহংটোৰ কি উপলব্ধি। ৰোমাণ্টিক সাহিত্যত যি অহংৰ গৰিমা গোৱা হয়, তাৰ

পৰিচয় এই কিতাপতে প্ৰথমে ওলায়। ইয়াত মইৰ যি লুক-ঢাক নথকা অভিব্যক্তি সি বিস্ময়জনক ; ভাল-বেয়া, শ্লীল-অশ্লীল সকলো অভিজ্ঞতা ইয়াত মুকলিকৈ প্ৰকাশ কৰা হৈছে, যদিও মাজে মাজে অতিৰঞ্জনে সত্যৰ অপলাপ কৰিছে। ইয়াত সংযম বা লজ্জাৰ স্থান নাই। দ্বিতীয়তে, ইয়াত যিজনে কৈফিয়ৎ দিছে তেওঁ মানুহ, শ্ৰেণী-বৰ্জ্জিত প্ৰকৃত মানুহ। ৰুছোৰ জীৱনত নৈতিকতা, বিশ্বাস, বন্ধুতা নাইবা পাপ-পুণ্যৰ বিচাৰ নাছিল যদিও এই কিতাপখন কোনো বজৰুৱা অঘৰী লোকৰ সস্তীয়া কাহিনী যেন নালাগে। আধুনিক আত্মজীৱনীৰ পৰম্পৰাত এই কিতাপখনৰ দাম কম নহয়। একে সময়তে এই ধৰণৰ খোলা আত্মজীৱনী এডোখৰ ৰচিছিল ইংলণ্ডৰ জেইমছ্ বজ্‌ৱেলে, কিন্তু দুৰ্ভাগ্যবশতঃ বজ্‌ৱেলৰ জাৰ্নেল ইমান দিনে লুকাই আছিল, আজি কেইবছৰমান আগেয়েহে ছপা হৈ ওলাইছে।

(৭)

অসাধাৰণ দাৰ্শনিক বা চিন্তাবীৰ নহৈয়ো ৰুছোৱে আধুনিক জগতৰ বিবিধ ক্ষেত্ৰত সি সাঁচ থৈ গ'ল তাৰ তুলনা কম। ৰাজনীতি, দৰ্শন, শিক্ষাবিধি, সাহিত্য—সভ্যতাৰ প্ৰায় ক্ষেত্ৰতে তেওঁ যি আলোড়ন তুলিলে তাৰ প্ৰভাৱ এতিয়াও অটুট হৈ আছে, অৱশ্যে এই প্ৰভাৱ এতিয়া আৰু সুস্পষ্ট নহয়, কাৰণ ইতিমধ্যে সমাজ, শিক্ষা আদিৰ গতিয়ে আগতকৈ বহুতো গণতান্ত্ৰিক ৰূপ ললে। সেই সময়ৰ অৱস্থা আৰু নাই। কিন্তু অষ্টাদশ শতিকাৰ ফ্ৰান্সৰ কাৰণে তেওঁৰ আবিৰ্ভাৱ বিস্ময়জনক। অসভ্য অৱস্থাত মানুহে পৰম শান্তিত নিষ্পাপ হৈ বাস কৰিছিলনে নাই তাৰ সত্যতা আলোচনা কৰিবৰ দৰ্কাৰ নাই, কিন্তু ব্যক্তিৰ গৰিমা ঘোষণা কৰি স্বাভাৱিক

বৃত্তিবিলাক আড়ষ্ট কৰা সভ্যতাৰ জটিলতা আঙুলিয়াই দেখুৱাই তেওঁ ঋষিৰ দৰে বাণী দি গ'ল। মানুহৰ প্ৰকৃতিত যি স্বাভাৱিক সততা আৰু উদাৰতাৰ সম্ভাৱনা থাকে সি স্বাধীন আৰু বাধা-নিষেধৰ হেঁচা নথকা পৰিবেশতহে যে ঠন ধৰি উঠে এনে সিদ্ধান্তই পিচত কাণ্ট আদি দাৰ্শনিকৰ চিন্তাতো আঁচ বহুৱাব পাৰিলে। দ্বিতীয়তে, তেওঁ গাওঁ-ভূঁই, পাহাৰ-পৰ্ব্বতৰ প্ৰতি যি এটি সহজ প্ৰীতিৰ সম্বন্ধৰ আৰ্হি দেখুৱালে সি কাব্যৰ পৰা নকলী প্ৰকৃতি আঁতৰাই আচল প্ৰকৃতিৰ বাট মুকলি কৰিলে। ইউৰোপত যি প্ৰকৃতি-কবিতাৰ সৃষ্টি হ'ল তাৰ প্ৰেৰণা পিচলৈ সাগৰ-মহাদেশ পাৰ হৈ আমাৰ দেশো পালেহি। শিশুৰ স্বাভাৱিক বৃত্তিবিলাক চেপি নধৰি তাৰ বিকাশসাধনত সহায় কৰিবলৈ তেওঁ মানুহক যি বুজনি দিলে তাৰ প্ৰভাৱতে শিশু-মনোবিজ্ঞান আদিৰ উৎকৰ্ষ সম্ভৱ হৈছে; আধুনিক কিণ্ডাৰগাৰ্টেন প্ৰথা তেওঁৰ শিক্ষাৰে এটি ফল।



গ্যাটে

# কবি য়হান ভলফ্‌গাং গ্যটে

## (১)

বোমান্টিক কাল গুবিৰে পৰা বিচাৰৰ যুগৰ বিপক্ষে সুস্পষ্ট ৰূপ এটা লৈ জাগি উঠা নাছিল। এশবছৰমান আগৰ পৰা কিছুমান চিন্তা আৰু আৰ্হি মূৰ দাঙি উঠিবলৈ চেষ্টা কৰিছিল আৰু এইবিলাকেই অষ্টাদশ শতিকাৰ শেহৰ ফালে এক বহল আন্দোলনৰ আকাৰত সবল হৈ উঠে। আমি ৰুছোৰ আবেগপ্ৰৱণতা আৰু ব্যক্তিবাদৰ কথা আলোচনা কৰি আহিছোঁ; এই প্ৰসঙ্গত ইংলণ্ডৰ ঔপন্যাসিক ৰিচাৰ্ডছন আৰু লৰেঞ্চ ষ্টাৰ্ণ, কবি গ্ৰে আৰু গোল্ডস্মিথ, জাৰ্ম্মানিৰ য়হান গট্‌ফ্ৰিট হেৰ্ডাৰ আৰু দাৰ্শনিক ইমানুৱেল কাণ্ট আদিৰো উল্লেখ কৰিব লাগে। দ্বিতীয়তে, বোমান্টিক চিন্তাই বিচাৰণা বা ৰীজন্ সমূলি অস্বীকাৰ কৰা নাছিল। বোমান্টিকসকলে মাথোন অনুভৱ কৰিলে যে মানুহৰ বিচাৰণা আৰু কল্পনা দুয়োটি প্ৰতিভাই আছে, দুয়োটিৰে সহায়ত মানুহে সত্য আৰু সুন্দৰৰ সন্ধান কৰিব লাগে, কিন্তু এই বিষয়ত কল্পনাৰ শক্তি আৰু আৱশ্যকতা অধিক। বোমান্টিচিজিম যে বিচাৰৰ যুগৰ নন্দনতত্ত্ব আৰু দৰ্শনৰ সীমাবদ্ধ ব্যাখ্যাৰ প্ৰতিক্ৰিয়া এই সিদ্ধান্ত জাৰ্ম্মানিৰ বহুমুখী প্ৰতিভাৰে সমৃদ্ধ লিখক য়হান ভলফ্‌গাং গ্যটেৰ আত্মজীৱনীতে প্ৰকাশ পাইছে। ৰুছো যিদৰে ভলটেয়েৰ, ডল্‌বাক আদি ফৰাচী দাৰ্শনিকসকলৰ পৰা আঁতৰি আহিছিল সেইদৰে ষ্ট্ৰাছবুৰ্গত ছাত্ৰ অবস্থাত থাকোঁতেই গ্যটে আৰু তেওঁৰ সহপাঠীসকলে ফৰাচী বিচাৰবাদত অনাস্থা দেখুৱাবলৈ আৰম্ভ কৰিছিল।

বোমান্টিক চিন্তাৰ জীপ পাই অষ্টাদশ শতিকাৰ শেহভাগত

জাৰ্ম্মানিৰ সাহিত্যত এক আলোড়নে দেখা দিয়ে। এই আলোড়নৰ আগশাৰীত আছিল গ্যটে, শ্বিলাৰ, হেৰ্ডাৰ আদি লিখকসকল; আটাইতকৈ প্ৰতিভাশালী আছিল গ্যটে নিজে।

(২)

এই বহুমুখী প্ৰতিভাৰে সমুজ্জ্বল পুৰুষজনৰ জন্ম হয় ফ্ৰাঙ্কফুৰ্ট চহৰত ১৭৪৯ খ্ৰীষ্টাব্দৰ ২৮ আগষ্ট তাৰিখে। ফ্ৰাঙ্কফুৰ্ট পুৰণি চহৰ আৰু ই দুশ্ৰেণী লোকৰ মাজত অৱস্থিত। ইয়াৰ উত্তৰফালে কষ্ট-সহিষ্ণু গহীনপ্ৰকৃতিৰ উত্তৰ-জাৰ্ম্মানসকলৰ বাস; দক্ষিণফালে পাতল-প্ৰকৃতিৰ ফুৰ্ত্তিবাজ দক্ষিণবাসীৰ অঞ্চল। গ্যটেৰ পিতৃমাতৃৰ প্ৰকৃতিত এই উত্তৰ দক্ষিণ দুয়ো অঞ্চলৰ লোকৰ স্বভাৱগত লক্ষণবোৰ আছিল। তেওঁৰ পিতৃৰ উপৰিপুৰুষ আহিছিল উত্তৰৰ পৰা আৰু তেওঁলোক আছিল বাটে নাইবা হোটেল-ব্যৱসায়ী; মাকৰ উপৰিপুৰুষ দক্ষিণৰ আইনজীৱী আছিল। মাকৰ বিয়াৰ সময়ত তেওঁৰ দেউতাকে ফ্ৰাঙ্কফুৰ্টৰ বাৰ্গোমাষ্টাৰ বা মিউনিচিপেলিটিৰ চেয়াৰমেন পদ চলাই আছিল। পিতৃমাতৃৰ পৰা গ্যটেৰ কি লাভ হ'ল এইবিষয়ে কবিয়ে নিজেই আমাক জনাইছে—"দেউতাৰ পৰা মই পাইছোঁ মোৰ শৰীৰৰ দৈৰ্ঘ্য আৰু গহীন দৃষ্টিভঙ্গী, মাৰ পৰা মোৰ বণিয়াল প্ৰকৃতি আৰু সাধু সাজি লোৱাৰ তৃপ্তি।" মাকৰ প্ৰভাৱ গ্যটেৰ জীৱনত সৰহকৈ পৰে। গাভৰু ছোৱালীৰ সজীৱতা আৰু সৰলতা আৰু অভিজ্ঞ মাতৃৰ বহস্যপৰায়ণতা আৰু বিবেচনা লৈ মাকে গ্যটেক উত্তম সঙ্গী এগৰাকী দিব পাৰিছিল। দেউতাকৰ সিমান প্ৰতিভা নাছিল। তেওঁ লোহা-ব্যৱসায়ীৰ ল'ৰা, খ্যাতিমান আইনজীৱী, আনহাতে শিল্পজ্ঞ আৰু ৰাজনীতিবিদ। তেওঁৰ কল্পনাশক্তি কম, ঘৰখন তেওঁ টানহাতে শাসন কৰে, আৰু লৰাছোৱালীৰ প্ৰকৃতিসম্বন্ধে তেওঁৰ

অকণো অন্তর্দৃষ্টি নাই। কিন্তু দেউতাকৰ প্ৰকৃতিৰ দৃঢ়তা আৰু কষ্টসহিষ্ণুতাৰ আৰ্হি আগত নথকা হ'লে হয়তো গ্যটেই তেওঁৰ পাখিমেলা কল্পনা আৰু যৌৱনসুলভ উত্তেজনাক সংযত কৰি সাধনাৰ বাটত আগ বঢ়াই নিব নোৱাৰিলেহেঁতেন।

প্ৰায় ষোলবছৰ বয়সলৈ গ্যটেৰ সৰুকালিৰ জীৱন যথেষ্ট আৰামতে যায়; পঢ়াশুনা, ৰংধেমালি, কবিতা আৰু গল্প ৰচনা— এইবিলাক লৈয়ে সময় কাটে। ইয়াৰ ভিতৰতে অৱশ্যে তেওঁ ইংৰাজী আৰু ইটালিয়ান ভাষা আয়ত্ত কৰে আৰু বাইবেলৰ পুৰণি অংশ বা ওল্ড টেষ্টামেণ্টত বিশেষ ব্যুৎপত্তি দেখুৱায়। বাহিৰৰ জগতৰ সংবাদ মাথোন কেতিয়াবা গৈ পায়, যেনে—১৭৫৫ চনৰ লিছবনৰ বিৰাট ভূমিকম্প, ১৭৫৯ চনৰ ফৰাচীৰ জাৰ্ম্মানি দখল, ১৭৬৪ চনত সম্ৰাটৰ অভিষেক। ১৭৬৫ চনত কিন্তু গ্যটেৰ জীৱনত নতুন অধ্যায় এটি আৰম্ভ হ'ল। দেউতাকৰ আইন ব্যৱসায়কে লোৱাবলৈ থিৰ কৰি তেওঁক এই সময়ত লাইপ্‌টছিক্ বিশ্ববিদ্যালয়ত ভৰ্তি কৰাই দিয়া হ'ল। বিখ্যাত অধ্যাপক কেইজনমানৰ কাৰণে এই বিশ্ববিদ্যালয়ৰ যথেষ্ট সুখ্যাতি, জাৰ্ম্মানিৰ জ্ঞান আৰু আদৰ্শৰ ইয়েই যেন কেন্দ্ৰ। ফৰাচী প্ৰভাৱ ইয়াত সুস্পষ্ট। এই বিশ্ববিদ্যালয়ৰ পৰিবেশত গ্যটেই দুখনমান নাটক ৰচনা কৰে, অৱশ্যে তাত মৌলিকতা কম। কিন্তু নাট বা শিল্পতত্ত্বৰ চৰ্চ্চাতকৈয়ো গীতি-কবিতাইহে গ্যটেক ভালকৈ সামৰি লয়। তৰুণ কবিক এই সময়ত নগৰৰ হোটেলৱালাৰ ছোৱালীয়ে বিচলিত কৰে, আৰু ফলস্বৰূপে গ্যটেৰ পৰা অনুপম গীতি-কবিতা ওলাবলৈ ধৰে। বিশবছৰীয়া গ্যটেৰ কবি-প্ৰতিভা আটাইৰে চকুত পৰিল।

ইয়াৰ পাচতে কেইমাহমান ঘৰত থাকি তেওঁ ষ্ট্ৰাছবুৰ্গ লৈ যায়। তাত দুবছৰমান থাকে আৰু এই কালডোখৰত তেওঁৰ কেইটিমান মূল্যবান অভিজ্ঞতা লাভ হয়। তেওঁ পুৰণি গথিক শ্ৰেণীৰ ভাস্কৰ্য্যৰ গৌৰৱ আৰু সৌন্দৰ্য্য আৱিষ্কাৰ কৰে, হেৰ্ডাৰৰ সাহায্য লভে, আৰু

তৃতীয়তে ফ্ৰিডেৰিকে ব্ৰিঅন নামৰ গাভৰু এগৰাকীৰ প্ৰেমত পৰে। য়হান গটফ্ৰিড্ হেৰ্ডাৰ গ্যটেতকৈ কেইবছৰমানৰ ডাঙৰ, কিন্তু এওঁ সাহিত্যিক-জীৱন আৰম্ভ কৰিছেই, আৰু একো অসাধাৰণ প্ৰতিভাৰে সমৃদ্ধ নহৈয়ো এওঁ কাব্য, জনগীত, সমালোচনা আদিত যথেষ্ট অন্তৰ্দৃষ্টি দেখুৱাব পাৰিছে। এওঁ চহাৰ মুখত শুনিবলৈ পোৱা জনগীতত যি সবল পোনপতীয়া কাব্য-প্ৰৱণা আছে তালৈ গ্যটেৰ চকু আকৰ্ষণ কৰিলে, আৰু তৰুণ কবিজনক নিজে গীত সংগ্ৰহ কৰি চাবলৈ আলচেশ্চিয়াৰ ভিতৰুৱা অঞ্চললৈ পঠিয়াই দিলে। আনহাতে, শ্বেক্‌ছপিয়াৰ আৰু হোমাৰৰ ৰচনাত মানবপ্ৰকৃতি আৰু নিসৰ্গজগতৰ যি ভুমুকু দেখা যায় তাৰ সৌন্দৰ্য্যও গ্যটেক মুকলিকৈ দেখৱালে। কবিত্বৰ নতুন জগত এখন গ্যটেৰ চকুৰ আগত মুকলি হ'ল।

ষ্ট্ৰাছবুৰ্গৰ গীৰ্জ্জাঘৰৰ কল্পনাৰ প্ৰাচুৰ্য্য থকা গথিক সৌন্দৰ্য্যৰ* সম্ভাৰে গ্যটেক জাৰ্ম্মান জাতিৰ আত্মাৰ সন্ধান দিলে; গথিক ভাস্কৰ্য্য আৰু শ্বেক্‌ছপিয়াৰৰ কাব্য—এই দুইৰ মাজত কবিয়ে এক সংযোগ বোধ কৰিলে আৰু দুয়োটিয়ে তেওঁৰ আজীৱন শ্ৰদ্ধা লভিলে।

১৭৭১ খ্ৰীষ্টাব্দত আইন-শিক্ষা সম্পূৰ্ণ কৰি গ্যটে ঘৰলৈ উভতে আৰু তাত তেওঁ ওকালতি আৰম্ভ কৰে। আইনত অৱশ্যে তৰুণ কবিৰ ৰাপ নাছিল আৰু তেওঁৰ সময় বন্ধুতা, প্ৰেম আৰু কাব্যইহে সামৰি লৈছিল। এই সময়ৰ দুটি ঘাই ঘটনা হ'ল ৰাজহ-বিষয়াৰূপে গ্যটেৰ ভেট্‌ছ্‌লাৰত চাৰিমাহ প্ৰবাস আৰু তাত লট্ বুফৰ সৈতে পৰিচয়। গ্যটেৰ শৰীৰ আৰু মনৰ ঐশ্বৰ্য্য আছিল প্ৰচুৰ; মানুহক আপোন কৰি লব পৰা শক্তি আৰু মাইকীমানুহৰ অৰ্ঘ্য আদায় কৰিব পৰা আকৰ্ষণ ঈশ্বৰে তেওঁক দিছিল। নিজৰ আবেগপ্ৰৱণ প্ৰকৃতিয়ে তেওঁকো প্ৰীতি আৰু সহানুভূতিৰ সঁহাৰিত ভগৰগীয়া কৰি তুলিছিল।

* তিনিৰ পৰা পাঁচশাৰী স্তম্ভৰ ওপৰত শিলৰ চালেৰে সজা মধ্যযুগীয় গীৰ্জ্জা, তাৰ ওপৰত একাধিক ওখ চূড়া, দুৱাৰ-খিৰিকিবোৰ ওপৰৰ ফালে জুঁগীয়াকৈ সজা, আইনাবোৰত বিবিধ চিত্ৰ। গথিক ভাস্কৰ্য্যৰ এইয়ে ঘাই লক্ষণ।

এই কাৰণেই অলপ কেইবছৰমানৰ ভিতৰতে গ্যটেৰ ফ্রিডেৰিকেৰ প্রতি যি উন্মাদনা আছিল সি আন সকলুৰা আকর্ষণৰ কথা নধৰিলেও লট্‌ বুফত কেন্দ্রীভূত হ'ল, আৰু এই আকর্ষণ অলপ দিনৰ ভিতৰতে লিলি শ্বানেমান নামৰ গাভৰু এগৰাকীলৈ বাগৰিল। এক কাব্যিক প্রবৃত্তিয়ে তেওঁক প্রেমপ্রৱণ কৰিছিল, কিন্তু উল্লেখযোগ্য যে শাৰীৰিক কামনাই তেওঁৰ প্রতিভা বান্ধি ৰাখিব নোৱাৰিছিল ; প্রেমৰ তপত পৰশত তেওঁৰ প্রতিভা জাগি উঠিছিল আৰু তেওঁৰ শক্তিৰ সৰহ-খিনি কাব্যৰ যোগেদিহে বিকশিত হৈছিল। গাভৰু লটে ঘৰুৱা বন-বাৰীৰ মাজত যি সৰলতা আৰু স্বাভাৱিকতা দেখুৱাইছিল তাৰ মানসিক সাঁচত গ্রীক কবি হোমাৰ আৰু ইংৰাজ কবি অছিয়ানৰ প্রকৃতি-পূজাৰ প্রভাৱ লগ লাগিয়ে এই সময়ত গ্যটেৰ প্রথম উল্লেখযোগ্য ৰচনা তৰুণ ভের্টাৰৰ বেদনা নামৰ উপন্যাসখনি ওলাব পাৰিলে ( ১৭৭৪ )।

গ্যটেৰ ঘাই ৰচনা কিন্তু প্রেমৰ বিষয় লৈয়ে নিবৃত্ত নাছিল। এই সময়ত তেওঁৰ প্রতিভাৰ পূর্ণ বিকাশ ; তেওঁ সহজভাবে হেলাৰঙে সকলো বিষয়তে হাত দিছে, আৰু তেওঁৰ মন বিশেষভাৱে আন্দোলিত কৰিছে কিছুমান মহান বিষয়ে। দেৱতাসকলক আওকান কৰি নিজে মানুহ সজা প্রমেথিউছ, জ্ঞান-বিজ্ঞানৰ গর্ব্ব নেওচি চয়তানৰ সহায়ত সত্যৰ অন্বেষণ কৰা পণ্ডিত ফষ্টাছ ( ফাউষ্ট ), ধর্ম্মত নতুন জাগৰণ অনা পুৰুষ মহম্মদ, খ্রীষ্টিয়ান বিশ্বাস যুক্তিৰে থকা-সৰকা কৰা 'অঘৰী ইহুদী', কঠোৰ হাতেৰে বিশৃঙ্খলাৰ মাজত শৃঙ্খলা থাপিব খোজা যোদ্ধা গ্যট্‌ছ্‌ ফন বেৰলিসিঙ্গেন—এই গহীন বিষয়-বিলাকেহে গ্যটেক কাব্যিক সম্ভাৱনাৰে উদ্বেলিত কৰিছে। ভের্টাৰৰ ব্যর্থতা আৰু শোকত যদি গ্যটেক পোৱা যায়, তেনেহলে প্রমেথিউছৰ বিৰাট বিদ্রোহ আৰু ফষ্টাছৰ বিৰাট সত্যস্পৃহাটো একেজন কবিৰে পৰিচয় পাব পাৰি। বৰং এই পিচৰ বিষয়ৰ প্রতি যি আকর্ষণ সিহে গ্যটেৰ চৰিত্রৰ দৃঢ়তা আৰু কল্পনাৰ সতেজতাৰ ইঙ্গিত দিয়ে। সি যি

নহওক, এই বিষয়বিলাকৰ ভিতৰত ভের্টাৰৰ বেদনা আৰু গ্যটেছ ক্ষন বেৰলিসিঙ্গেনহে সম্পূর্ণ হয়।

( ৩ )

ভের্টাৰ আৰু গ্যটছে গ্যটেক জার্মান লিখকসকলৰ ভিতৰত আটাইতকৈ খ্যাতিমান কবি তুলিলে আৰু জার্মান সাহিত্যকো ইউৰোপত নতুন সম্মানেৰে সমৃদ্ধ কৰিলে। এই খ্যাতিৰ জৰিয়তে গ্যটেই চাক্সে-ভাইমাৰ ৰাষ্ট্ৰৰ ১৮ বছৰীয়া ডিউক কার্ল আউগুষ্টৰ পৰা এক নিমন্ত্ৰণ পায়। গ্যটে ভাইমাৰলৈ গ'ল ( ১৭৭৫ ) আৰু ৰাজকীয় ৰাব এটি লাভ কৰি তেওঁ তাতেই থাকিবলৈ ললে। এই ঘটনাই কবিৰ জীৱনত এক নতুন পৰ্য্যায়ৰ সূচনা কৰে আৰু ইয়াৰ ফল-স্বৰূপে আধাশতাব্দী কাল ভাইমাৰ জাৰ্মানিৰ সাহিত্যচৰ্চ্চাৰ কেন্দ্ৰ হৈ পৰে।

গ্যটেই তৰুণ শাসনকৰ্ত্তাজনৰ বন্ধু আৰু শিক্ষকৰ স্থান অধিকাৰ কৰিলে। উদ্যমী আৰু সবল কাৰ্ল আউগুষ্টৰ শাসনত চাক্সে-ভাইমাৰৰ যেনেকৈ অৰ্থনৈতিক উন্নতি হ'ল সেইদৰে গ্যটেৰ উপস্থিতিত অকণমানি ৰাষ্ট্ৰখনৰ খ্যাতিও বাঢ়িল। ৰাজকীয় ৰাব লৈ গ্যটেই এক নতুন দায়িত্ব বোধ কৰিলে। তেওঁ ব্যক্তি আৰু সমাজৰ ক্ৰিয়াত মনোযোগ দিলে, সহানুভূতি আৰু কল্পনাৰে তেওঁ আনৰ জীৱনধাৰা লক্ষ্য কৰিবলৈ ধৰিলে। এই মানবীয় সহানুভূতি অকল মানুহতে আৱদ্ধ নাথাকি প্ৰকৃতিৰ জগতলৈ বিয়পিল। গ্যটেই পদাৰ্থবিজ্ঞান, ধাতু, উদ্ভিদ আদিতো কৌতূহল দেখুৱাবলৈ ধৰিলে। মানব-জীৱন আৰু নিসৰ্গ-জীৱন সকলোতে তেওঁ এক আত্মীয়তা আৰু একেটা সত্তাৰ জিলিঙনি উপলব্ধি কৰিলে। এই প্ৰসঙ্গত অৱশ্যে কোৱা হৈছে যে হলেণ্ডৰ দাৰ্শনিক স্পিনোজাৰ আধ্যাত্মিক চিন্তাইও গ্যটেৰ মনত এটি অভিনৱ সাঁচ দিয়ে। সংসাৰসম্পৰ্কে

এই সামগ্ৰিক দৃষ্টিভঙ্গী লাভৰ লগে লগে কবিৰ প্ৰকৃতিত আগৰ উদ্দাউল ভাবৰ পৰিবৰ্ত্তে এটি শৃঙ্খলা দেখিবলৈ পোৱা গ'ল। আবেগৰ জীৱন তেওঁ উলজ্ঘা নকৰিলে, কিন্তু শৃঙ্খলাৰ জৰিয়তে তেওঁৰ কাৰ্য্যাৱলীত এটি গভীৰতা আৰু তীব্ৰতা সোমাল। এই কথা লক্ষ্য কৰিব পাৰি শ্বাৰ্লট ফন্ ষ্টাইন নামে বিবাহিতা মহিলা এগৰাকীৰ সৈতে যি সম্বন্ধ ওপজে তাত। এই মাৰ্জ্জিত আৰু ব্যক্তিত্বশালী মহিলাই গ্যেটেৰ লগত এটি মধুৰ আৰু মানসিক সম্বন্ধ চৌধবছৰ কাল বচাই ৰাখিব পাৰিছিল। এওঁৰ প্ৰভাৱত গ্যেটেই কিছুমান অনুপম চিঠি আৰু গীতিকবিতা ৰচিবলৈ আৰু ইফিজেনি আৰু লেওনোৰক কেন্দ্ৰ কৰি ৰচা নাটক দুখনত দুগৰাকী মহিয়সী নাৰীৰ চিত্ৰ আঁকিবলৈ সমৰ্থ হয়।

এই কবিতা আৰু নাটক আদিত অৱশ্যে আৰু এটি উল্লেখযোগ্য প্ৰভাৱ পৰে। ১৭৮৬ খ্ৰীষ্টাব্দত গ্যেটে আকস্মিকভাবে কাকো নজনোৱাকৈ ইটালি অভিমুখে ৰাওনা হয়। আল্পছ্‌ পৰ্ব্বত পাৰ হৈ তেওঁ উত্তৰ ইটালিৰ ৰোম পায়গৈ। ৰোমৰ ইতিহাসত সিক্ত হৈ থকা পুৰণি ভাস্কৰ্য্য আৰু স্থাপত্যই তেওঁক বিচলিত কৰে। তাত থকা শিল্পীসকলৰ লগতো তেওঁ ঘনিষ্ঠভাবে মিলে। দুবছৰৰ পিচত তেওঁ ভাইমাৰলৈ ওভতে। এই ভ্ৰমণৰ ফল লগে লগে দেখা নগল, কিন্তু ইয়াৰ এটি ফল হ'ল কবিয়ে এক নতুন উদাৰতা লভিলে— তেওঁ স্বাভাৱিক জাৰ্ম্মান লিখকৰ যি এটি সংকীৰ্ণতা সেই সংকীৰ্ণতা পৰিত্যাগ কৰিব পাৰিলে; জাৰ্ম্মানিবাসীৰ ঠেক নৈতিকতাতো তেওঁ অশ্ৰদ্ধা দেখুৱালে। উভতি আহিয়ে তেওঁ ক্ৰিষ্টিয়ান ভুলপিয়াচ্‌ নামে তিৰোতা এজনীৰ লগত সম্বন্ধ পাতে; এই সম্বন্ধ বিবাহৰ তুল্য আছিল বুলি গ্যেটেই স্বীকাৰ কৰিলেও ভাইমাৰৰ ৰাইজে পচন্দ নকৰিলে। তেওঁৰ বান্ধৱী শ্বাৰ্লটেও কৰিব নোৱাৰিলে। কৱিতা কেতবোৰৰ কথা নধৰিলে বৈজ্ঞানিক গবেষণাই এই সময়ৰ ঘাই ঘটনা। উল্লেখ কৰিব লাগে যে জীৱ-বিজ্ঞান আৰু পদাৰ্থ-বিজ্ঞানৰ

ছুটিমান নতুন তথ্যই তেওঁক বৈজ্ঞানিকৰ শাৰীতো তোলে। ইয়াৰে ফুল আৰু পাতৰ সম্বন্ধ লৈ উলিওৱা তথ্য তেওঁ কাব্য এখনত বৰ্ণনা কৰে। এইদৰে বিজ্ঞানৰ জটিলতাৰ মাজত সোমাই থাকোঁতে ফ্ৰান্সত যি এটি বিপ্লৱ আৰু নবজাগৰণে তোলপাৰ লগাইছে আৰু যাৰ প্ৰতিধ্বনি ইংলণ্ডৰ ৱাৰ্ডজৱাৰ্থ আদি কবিৰ ৰচনাতো বাজিছে তালৈ তেওঁ মনেই নকৰিলে।

এই বন্ধু-বান্ধৱহীন আৰু আত্ম-সমাহিত কালৰ অন্ত পেলায় ১৭৯৪ খ্ৰীষ্টাব্দত হোৱা শ্বিলাৰৰ পৰিচয়ে। ফ্ৰিড্ৰিস শ্বিলাৰ গ্যেটেতকৈ ১৯ বছৰে সৰু। আগবয়সত তেওঁ সৈনিক স্কুলত পঢ়ে। তাৰ কটকটীয়া শাসন সহ্য কৰিব নোৱাৰি তেওঁ পলায়। তেওঁৰ মনৰ ভাব প্ৰকাশ হয় ১৭৮১ খ্ৰীষ্টাব্দত ওলোৱা ডকাইত নামৰ নাটকত। এই নাটকে তেওঁৰ খ্যাতি সুপ্ৰতিষ্ঠ কৰে। শ্বিলাৰৰ ৰচনা গ্যেটেই পচন্দ নকৰিছিল, কিন্তু নাট্যকাৰজনৰ প্ৰতিভা তেওঁ মুকলি অন্তৰে স্বীকাৰ কৰিছিল। তেওঁৰ যত্নতে ১৭৮৮ খ্ৰীষ্টাব্দত য়েনা বিশ্ববিদ্যালয়ত শ্বিলাৰে ইতিহাসৰ অধ্যাপকৰ পদ লাভ কৰে। কিন্তু দুয়োৰে মাজত বন্ধুতা উপজিবলৈ আৰু ছবছৰ সময় লাগে।

## ( ৪ )

১৭৯৪ খ্ৰীষ্টাব্দত শ্বিলাৰে সাহিত্যৰ আলোচনাৰ অৰ্থে নতুন আলোচনী এখন প্ৰতিষ্ঠা কৰি গ্যেটেৰ সহায়তা কামনা কৰে। গ্যেটেই ততালিকে তেওঁৰ সম্মতি জনায়। এই সম্মতি লাভ কৰি শ্বিলাৰে মনৰ উৎসাহত গ্যেটেলৈ এখন চিঠি লিখে। চিঠিখনত তৰুণ কবিজনে শ্ৰদ্ধা আৰু সহানুভূতিৰে গ্যেটেৰ প্ৰতিভা বিশ্লেষণ কৰি দেখুৱায়। শ্বিলাৰে লিখিলে শিষ্যৰ দৰে ; গ্যেটেই তেওঁৰ চিঠিত বিচাৰি পালে এজন ভাষ্যকাৰ আৰু বন্ধু। দুয়ো ওচৰ চাপি আহিল আৰু আৰম্ভ

হ'ল এক বন্ধুতা, যি সাহিত্যক্ষেত্রত অতি ফলবান হব পাৰিলে। এই সময়ত ইংলণ্ডত যেনেকৈ ৱার্ডছ্‌ৱার্থ আৰু কোল্‌ৰিজৰ বন্ধুতাই পৰস্পৰৰ প্রতিভা বিকশিত কৰিলে, সেইদৰে গ্যটে আৰু শ্বিলাৰৰ পাৰস্পৰিক সম্বন্ধইও দুয়োৰে প্রতিভা জগাই তুলিলে। অৱশ্যে দুয়োৰে প্রকৃতি বা দৃষ্টিভঙ্গী একেধৰণৰ নাছিল। স্বাধীনতাপ্রিয় তৰুণ কবি আৰু নাট্যকাৰ শ্বিলাৰ আছিল ভাববাদী; গ্যটেই বাস্তৱৰ সমলকে অপূর্ব্বভাৱে ৰূপ দিব পাৰিছিল। দুয়োজনেই ৰোমাণ্টিক শ্রেণীৰ লিখক হলেও শ্বিলাৰতকৈ গ্যটেৰ ব্যৱহাৰিক জগতৰ সৈতে সম্পর্ক বেছি ঘনিষ্ঠ আছিল। দুয়ো কবিয়ে চেপ্টেম্বৰ মাহত গ্যটেৰ ঘৰত গোট খাই কবিতাৰ বিষয়বস্তু লৈ আলোচনা চলায়। থিৰ কৰা হয় যে কবিতা ওপৰে ওপৰে উৰি-ফুৰা ভাবোল্লাস সাৰ কৰা হব নালাগে, গতানুগতিক বর্ণনাপ্রধানও হব নালাগে; 'টিপিকেল' অর্থাৎ, তেওঁলোকৰ ব্যাখ্যামতে, বাস্তৱৰ গাত ভেজা লৈ উপজি যথেষ্ট ব্যঞ্জনাবিশিষ্ট হব লাগে। গ্রীচদেশৰ কলা আৰু কাব্য হ'ল এই কবিতাৰ আৰ্হি, কিয়নো গ্রীক শিল্পী আৰু কবিসকলে ব্যৱহাৰিক জগতৰ সমলকে লৈ তাত এটি সার্ব্বজনীন ব্যঞ্জনা আৰোপ কৰিবলৈ সমর্থ হৈছিল।

শ্বিলাৰে গ্যটেৰ হিত সাধিলে আন একপ্রকাৰে। গ্যটেৰ মনৰ উদাৰতা যিদৰে আছিল সেইদৰে তেওঁৰ ৰচনাৰ বিষয়বস্তুৰ পৰিসৰো আছিল ব্যাপক। ইয়াৰ ফলত তেওঁৰ প্রতিভা বিক্ষিপ্ত হৈছিল। শ্বিলাৰে আলোচনা, চিঠি আৰু প্রবন্ধ আদিৰ জৰিয়তে গ্যটেক নিজৰ প্রতিভাৰ স্বৰূপসমন্ধে সচেতন কৰে আৰু আকৌ কাব্যৰ ক্ষেত্রলৈ টানি আনে। এই নতুন বন্ধুতাৰ প্রথম তিনি বছৰৰ ভিতৰতে গ্যটেৰ আন ৰচনাৰ উপৰিও ভিলহেল্ম মাইষ্টাৰছ্‌ লেৰয়াৰে (১৭৯৬) নামৰ উপন্যাস প্রকাশ হয়। কিতাপখনৰ সৰহখিনি আগেয়ে লিখা হৈ আছিল, কিন্তু শ্বিলাৰৰ উদগনি আৰু সমালোচনাই তাৰ বহুতো অংশ প্রাঞ্জল আৰু সুখপাঠ্য কৰিছে।